**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-02-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। লোকসভাত আজি বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট দাখিল।

২। বাজেটত উত্তৰ-পূবৰ পাঁচখন ৰাজ্যত পাঁচটা বিশেষ পৰ্যটনস্থলী স্থাপন আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ গ্ৰহণ।

৩। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জয়ন্তী উদযাপন।

*আৰু*

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ অন্তিমখন খেলত আজি কেৰালাৰ বিৰুদ্ধে ছাৰ্ভিচেছৰ ১-০ গ'লৰ ব্যৱধানত জয়লাভ।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি সংসদত ২০২৬-২৭ বৰ্ষৰ বাজেট দাখিল কৰে। এই বাজেটত উত্তৰ পূৰ্বৰ ৫ খন ৰাজ্যত ৫টা বিশেষ পৰ্যটনস্থলী স্থাপন আৰু উন্নয়নৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ লগতে অঞ্চলটোৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৪ হাজাৰ খন ই-বাছৰ চলাচলৰ বাবেও আজিৰ বাজেটত প্ৰস্তাৱ দিয়া হয়। ইয়াৰ লগতে অসম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বৌদ্ধধৰ্মৰ সৈতে জড়িত তীৰ্থস্থানসমূহৰ বিকাশৰ আঁচনিতো আজিৰ বাজেটৰ জৰিয়তে অনুমোদন জনোৱা হয়।

বাইট

সেৱাখণ্ডৰ বিকাশত গুৰুত্ব আৰোপ কৰি বিত্তমন্ত্ৰী শ্ৰীসীতাৰমনে এই খণ্ডৰ উপযোগীকৈ কৌশল বিকাশৰ বাবে উচ্চ শিক্ষা খণ্ডৰ প্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে নতুন শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়, ছাত্ৰী নিৱাস আদি স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। ভাৰতৰ বৰ্ধিত এনিমেচন, ভিজুৱেল এফেক্ট, গেমিং আৰু কমিক উদ্যোগ খণ্ডত ২০৩০ চনৰ ভিতৰত ২০ লাখ দক্ষতা সম্পন্ন লোকৰ প্ৰয়োজন হ'ব বুলিও বাজেট উত্থাপন কৰি তেওঁ মন্তব্য কৰে। ইয়াৰ বাবে মুম্বাইত এখন ভাৰতীয় সৃষ্টিশীল প্ৰযুক্তিৰ প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ দিয়াৰ লগতে আজিৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলত এখন নতুন ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱো দিয়া হয়।

মানসিক স্বাস্থ্যৰ চিকিৎসা আৰু উন্নতিৰ বাবে বিশেষ গুৰুত্ব আৰোপ কৰি আজিৰ বাজেটত ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ এটা দ্বিতীয় শাখা খোলাৰ বিষয়েও প্ৰস্তাৱ দিয়া হয়। চৰকাৰে ৰাঁচী আৰু তেজপুৰৰ ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠানকেইটাকো বিশেষ ধৰণে উন্নতকৰণ কৰিবলৈ প্ৰচেষ্টা চলাব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে।

যুৱচামৰ বাবে দক্ষতা ভিত্তিক জীৱিকাৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যে ৩ খন নতুন সৰ্বভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ লগতে পৰৱৰ্তী ৫ বছৰত ১ লাখ স্বাস্থ্য খণ্ডৰ পেচাদাৰী লোকৰ সৃষ্টিৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰস্তাৱো আজি বাজেটত উত্থাপন কৰা হয়। এইবেলি বাজেটত উত্থাপন কৰা অনুসৰি ৫ খন আঞ্চলিক চিকিৎসা বিশেষ কেন্দ্ৰ স্থাপন কৰাৰ বাবে ৰাজ্যসমূহক সাহায্য আগবঢ়োৱা হ'ব। স্বাস্থ্য খণ্ডত ডেৰ লাখ গৰাকী শুশ্ৰূষাকাৰীক প্ৰশিক্ষণ দিয়া হ'ব। জিলা চিকিৎসালয়সমূহত জৰুৰীকালিন আৰু ট্ৰমা কেন্দ্ৰ স্থাপনৰ জৰিয়তে ৫০ শতাংশ সামৰ্থ বৃদ্ধি কৰা হ'ব। বাজেটত দিব্যাংগসকলক সৱল কৰি তোলাৰ বাবেও বিশেষ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। তেওঁলোকৰ বাবে মৰ্যাদা সম্পন্ন জীৱিকা নিশ্চিত কৰাৰ উদ্দেশ্যে দিব্যাংগ কৌশল যোজনা আৰু তেওঁলোকৰ বাবে কৃত্ৰিম অংগ প্ৰতংগ সংৰোপণত সুচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে দিব্যাংগ সাহাৰা যোজনা মুকলি কৰা হ'ব।

আয়ুৰ্বেদ চিকিৎসাৰ শৃংখলিত শিক্ষা পদ্ধতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে ৩ খন নতুন প্ৰতিষ্ঠান নিৰ্মাণৰ বাবেও আজিৰ বাজেটত প্ৰস্তাৱ দিয়া হয়। দেশক জৈৱ ভেষজ নিৰ্মাণৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে বিত্তমন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী ৫ বছৰত ১০ হাজাৰ কোটি টকা সাপেক্ষ **বায়'ফাৰ্মা শক্তি** শীৰ্ষক এখন আঁচনিৰ ঘোষণা কৰিছে।

চলিত বছৰৰ পহিলা এপ্ৰিলৰ পৰা নতুন আয়কৰ আইন বলবৎ হ'ব বুলি উল্লেখ কৰি শ্ৰীমতী সীতাৰমনে শীঘ্ৰেই সৰলীকৃত আয়কৰৰ নিয়মাৱলী ঘোষণা কৰা হ'ব বুলিও মন্তব্য কৰে। বিমান খণ্ডত নিৰ্বিনিয়োজন বৃদ্ধি কৰাৰ উদ্দেশেৰে সীমা শুল্ক হ্ৰাস কৰাৰ বিষয়েও আজিৰ বাজেটত বিত্তমন্ত্ৰীমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিদেশ ভ্ৰমণৰ পেকেজত উৎসতে কৰ্তন কৰা কৰৰ হাৰ ২ শতাংশ হ্ৰাস কৰাৰ প্ৰস্তাৱো আজি বাজেটত কৰা হৈছে।

মহিলাসকলৰ উৎকৰ্ষ সাধনৰ বাবে SHE marts প্ৰকল্পৰ বিষয়েও আজি ঘোষণা কৰা হয়। ইয়াৰ লগতে ভাষিক ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ সম্পৰীক্ষা আৰু বিকাশৰ উদ্দেশ্যেৰে এটা বহুভাষিক এ আই মঞ্চ ভাৰত বিস্তাৰ গঠনৰ প্ৰস্তাৱো আজিৰ বাজেটত উত্থাপন কৰা হয়। ১৫ খন পুৰাতাত্বিক স্থলৰ বিশেষ বিকাশ সাধনৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে। দেশত ৭ টা দ্ৰুতগতিৰ ৰে'ল কৰিড'ৰ স্থাপনৰ বিষয়েও বাজেটত উল্লেখ কৰা হয়।

ooooo

মহাবীৰ চিলাৰায়ৰ ৫১৬ সংখ্যক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ তথা কোচ ৰাজবংশী সন্মিলনৰ সহযোগত আজি মঙলদৈত কেন্দ্ৰীয়ভাৱে চিলাৰায় দিৱসৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকি কোচ-ৰাজবংশী মহাবীৰগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে কোচ-সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণ তথা প্ৰাচীন দৰং ৰাজ্যক পৰ্যটন কেন্দ্ৰ হিচাপে বিকাশৰ বাবে ৫০ কোটি টকাৰ প্ৰকল্পৰ কথা ঘোষণা কৰে। তেওঁ লোকনিৰ্মাণ বিভাগ তথা জিলা প্ৰশাসনক এই ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিয়ে। ড০ শৰ্মাই আজি মঙলদৈত চিলাৰায়ৰ ৩৭ ফুট উচ্চতাৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে এখন শিশু উদ্যান উদ্বোধন কৰে। ড০ শৰ্মাই কয় যে বীৰ চিলাৰায়ে দুৰ্জেয় সাহস আৰু প্ৰবল পৰাক্ৰমেৰে অসমৰ ইতিহাস সমৃদ্ধ কৰি থৈ গৈছে। মহান বীৰগৰাকীৰ দেশপ্ৰেমৰ আদৰ্শই নৱপ্ৰজন্মক উদ্বুদ্ধ কৰি ৰাখিব বুলি তেওঁ মন্তব্য কৰে।

**বাইট (চি এম)**

ধেমাজি জিলাৰ কমলপুৰত ভাৰতীয় জনতা পাৰ্টীৰ অন্যান্য পিছপৰা শ্ৰেণী মৰ্চা সমিতিৰ উদ্যোগত চিলাৰায় দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। মাজুলী জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত চিলাৰায় ভৱনত মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানতে মাজুলী জিলা সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি ললিত চন্দ্ৰ দত্তলৈ মৰণোত্তৰভাৱে চিলাৰায় বঁটা আগবঢ়োৱা হয়। তদুপৰি মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া মাজুলী বন্ধু সন্মান প্ৰদান কৰা হয়।

ooooo

আজি পবিত্ৰ মাঘী পূৰ্ণিমা। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত বিভিন্ন ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে।

শিৱসাগৰ জিলাৰ ডিমৌৰ কলালোৰ গাঁৱৰ ঐতিহাসিক শ্ৰীশ্ৰীগৰখীয়া থানত ধৰ্মীয় ৰীতি নীতিৰে মাঘী পূৰ্ণিমা পালন কৰা হৈছে। প্ৰতি বছৰে পালন কৰা এই উৎসৱত দূৰ দুৰণিৰ বহু লোকৰ আগমন ঘটে। এই উপলক্ষে আবেলিৰ পৰা গোটেই নিশা নাম প্ৰসংগ, গৰখীয়া সকাম আৰু পুজাৰ লগতে মেলাও অনুষ্ঠিত হয়। স্থানীয় লোকসকলৰ লোকবিশ্বাস আৰু সংস্কৃতিক সৈতে এই উৎসৱ ওতপ্ৰোতভাৱে জড়িত হৈ আছে বুলি তেওঁলোকে বিশ্বাস কৰে।

বাইট

গোৱালপাৰা জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰীসূৰ্যপাহাৰ মহাপীঠ স্থানত মাঘী পূৰ্ণিমা উপলক্ষে কালিৰে পৰা ৯ দিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীবিষ্ণু যজ্ঞ আৰু মেলা অনুষ্ঠিত হৈছে। ৮ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই যজ্ঞ আৰু মেলাৰ অংশ হিচাপে পুজা অৰ্চনা, গীতাা পাঠ, ধৰ্মীয় কাৰ্যসূচী, কবি সন্মিলন, গ্ৰন্থমেলা, গ্ৰন্থ উন্মোচন, চিত্ৰাংকন প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ

আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ পবিত্ৰ মিলনভূমি শ্ৰীসূৰ্যপাহাৰলৈ বছৰৰ প্ৰতিটো দিনত তীৰ্থযাত্ৰীৰ আগমন ঘটে যদিও মাঘী পূৰ্ণিমা উপলক্ষে এই স্থানত অগনন লোকৰ সমাগম হয়। কাহ শিল্পৰ নগৰী বৰপেটা জিলাৰ সৰ্থেবাৰীতো মাঘী পূৰ্ণিমা উপলক্ষে ঐতিহাসিক সভা মহোৎসৱ অনুষ্ঠিত হৈছে। ১৬০ সংখ্যক মহোৎসৱৰ আজি মূল সবাহ আৰু হোম যজ্ঞ অনুষ্ঠিত হয়। ইয়াৰ লগতে নাম প্ৰসংগও কৰা হয়। এইবাৰ ৮ দিনীয়াকৈ আয়োজিত সভা মহোৎসৱৰ সৈতে সংগতি ৰাখি ধৰ্মীয় কাৰ্যসূচীৰ লগতে থলুৱা কৃষ্টি সংস্কৃতিৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। মাঘী পূৰ্ণিমা উপলক্ষে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। পূৰ্ণিমাৰ স্নিগ্ধ পোহৰে সকলোৰে জীৱন আলোকিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

০০০০০

ৰাজ্যৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কাইলৈ শোণিতপুৰ জিলাৰ আঠখন চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে এই নৱনিৰ্মিত বিদ্যালয় ভৱনকেইটা মুকলি কৰিব। জিলাখনত কাইলৈ ৰঙাপাৰা সমষ্টিৰ অন্তৰ্গত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ আধাৰশিলা স্থাপন কৰা হ'ব। এই কাৰ্যসূচীত জিলা আয়ুক্ত আনন্দ কুমাৰ দাস উপস্থিত থাকিব।

০০০০০০

গোলাঘাট জিলাৰ মেৰাপানী নাৰায়ণপুৰত গান্ধীৰাম লইং সমন্বয় ক্ষেত্ৰত কালিৰে পৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ অধিবেশন অনুষ্ঠিত হৈছে। আজি অধিবেশনৰ দ্বিতীয় দিনা ধৰ্মধবজা উত্তোলনৰ পাছতে ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই অধিবেশনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলাৰ ১৫ খন আঞ্চলিক শাখাৰ ১০ সহস্ৰাধিক ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰিছে। জিলাখনৰ দৈয়াং আঞ্চলিক শাখাৰ উদ্যোগত ৫৫ খন প্ৰাথমিক শাখাৰ ৫ শতাধিক আয়তী-ভকতে অতিথি আপ্যায়নৰ বাবে শ্ৰমদান কৰিছে। অধিবেশনত ৩০০ লোকে একেলগে ভোজন গ্ৰহণ কৰিব পৰাকৈ ব্যৱস্থা কৰা হৈছে। কালি অধিবেশনৰ প্ৰথম দিনা মহিলাসকলৰ দিহা নাম পৰিবেশনৰ লগতে ৩ খনকৈ ধৰ্মগ্ৰন্থ উন্মোচন কৰা হয়। আজি অধিবেশনৰ দ্বিতীয় দিনটোত ধৰ্মধবজা আৰু সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতে দিনৰ ভাগত মুকলি সভা আৰু নিশালৈ অংকীয়া ভাওনা মঞ্চস্থ কৰা হ'ব।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ বি পৰ্যায়ৰ অন্তিমখন খেলত আজি ছাৰ্ভিচেছ দল আৰু কেৰালা দলৰ মাজত অনুষ্ঠিত হয়। খেলখনত ছাৰ্ভিচেছ দলে কেৰালাক ১-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। ছাৰ্ভিচেছ দলৰ অভিষেক পাৱাৰে প্ৰথমাৰ্ধৰ ১৮ মিনিটত গ'ল কৰি দলটোক গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰদান কৰে। এই জয়েৰে ছাৰ্ভিচেছ দলে প্ৰতিযোগিতাত ৬ পইণ্ট লাভ কৰি গ্ৰুপ বিৰ কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে। প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল খেলসমূহ ৩ ফেব্ৰুৱাৰীত চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত হ'ব। পৰহিলৈ চিলাপথাৰত পুৱা ৯ বজাত তামিলনাডু আৰু পাঞ্জাবৰ মাজত খেল অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত দ্বিতীয়খন খেলত অসম আৰু কেৰালা মুখামুখি হ'ব। একেটা দিনতে ঢকুৱাখনাৰ বিষ্টুৰাম দলে খেলপথাৰত পুৱা ৯ বজাত ৰে'লৱে আৰু ৰাজস্থানৰ মাজত খেল অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত বিগত বৰ্ষৰ চেম্পিয়ন পশ্চিম বংগৰ বিৰুদ্ধে ছাৰ্ভিচেছ দল খেলত অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ